# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-DEC.-2025
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***
### **HEADLINES**
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১০ হাজাৰ ৬০০ কোটি টকা ব্যয় সাপেক্ষে নামৰূপ সাৰ কাৰখানাত আজি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। আহোম ৰাজত্বৰ সোণোৰালী দিনবোৰৰ দৰে অসমক শক্তিশালী কৰি তোলা হ'ব বুলি প্ৰধানমন্ত্ৰীৰ মন্তব্য।

৩। বিশিষ্ট সাহিত্যিক উপেন্দ্ৰ বৰকটকী, ড° জ্যোৰ্তিময় জানা আৰু শংকৰী সংস্কৃতিৰ সাধক তিলক চন্দ্ৰ মজুমদাৰক মৰণোত্তৰভাৱে সাহিত্য ৰত্ন উপাধি প্ৰদান।

***আৰু***

৪। কাছাৰৰ ভাৰত-বাংলাদেশ সীমান্তত নিৰাপত্তা ব্যৱস্থা বৃদ্ধি।

ooooo

কৃষকসকলৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু তেওঁলোকৰ সুবিধাৰ্থে চৰকাৰে ভালেমান পদক্ষেপ মুকলি কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। নামৰূপ সাৰ কাৰখানাত আজি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সুচনা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে অসমৰ উন্নয়নৰ যাত্ৰাৰ এয়া আৰম্ভণিহে বুলি মন্তব্য কৰে। তেওঁ অসমক আহোম ৰাজত্বৰ সোণোৰালী দিনবোৰৰ দৰে শক্তিশালী কৰি তোলা হ'ব বুলি উল্লেখ কৰে। নামৰূপৰ নতুন এম'নিয়া ইউৰিয়া প্ৰকল্পৰ বাবে কৃষক ৰাইজক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত অন্নদাতাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শ্ৰী মোদীয়ে কয়, যে ২০১৪ চনত দেশত সাৰ উৎপাদন ২২৫ লাখ মেট্ৰিক টন হোৱাৰ পৰিৱৰ্তে বৰ্তমান এই উৎপাদন ৩০৬ লাখ মেট্ৰিক টনলৈ বৃদ্ধি হৈছে। কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰি সাৰ উৎপাদনত সম্পূৰ্ণ আত্মনিৰ্ভৰ হ'বলৈ নতুন নতুন উৎপাদন ক্ষমতা গঢ়ি তোলাৰ বাবে চৰকাৰে অবিৰত প্ৰচেষ্টা চলাই যাব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া নামৰূপৰ এই প্ৰকল্পত বছৰি ১২ লাখ মেট্ৰিক টনতকৈ অধিক সাৰ প্ৰস্তুত হ'ব।

***(বাইট ঃ মোদী)***

কৃষকসকলৰ হিত সাধনৰ ক্ষেত্ৰত চৰকাৰ অত্যন্ত সংবেদনশীল বুলি উল্লেখ কৰ প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে কৃষকসকসকলৰ ওপৰত যাতে অতিৰিক্ত বোজা নপৰে তাৰ বাবে উইৰিয়া আমদানিব ব্যয় চৰকাৰে বহন কৰে।দেশত বছৰি প্ৰয়োজন হোৱা ৩৮০ লাখ মেট্ৰিকটন ইউৰিয়াৰ বিপৰীতে বৰ্তমান ৩০৬ লাখ মেট্ৰিকটন ইউৰিয়া উৎপাদন হয় বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

**(বাইট ঃ মোদী)**

অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমে আজি বিকাশ আৰু উন্নয়নৰ নতুন আকাশ চুবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

উল্লেখযোগ্য যে, দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাৰ ভাগত গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ ২৫ গৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰে। পৰীক্ষাৰ সময়ত সৃষ্টি হোৱা মানসিক চাপ নিয়ন্ত্ৰণৰ বাবে শ্ৰীমোদীয়ে তেওঁলোকক পৰামৰ্শ দিয়ে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি তৰ্পণ কৰে।

০০০০০

নগাঁও ছোৱালী মহাবিদ্যালয়ত আজি বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ উপেন্দ্ৰ বৰকটকী আৰু ড° জ্যোৰ্তিময় জানা আৰু শংকৰী সংস্কৃতিৰ সাধক তিলক চন্দ্ৰ মজুমদাৰক মৰণোত্তৰভাৱে সাহিত্য ৰত্ন উপাধি প্ৰদান কৰা হয়। ইয়াৰ লগতে বিশিষ্ট শিক্ষাবিদ ড° স্বাধীনতা মহন্তক কৃতী শিক্ষক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱাই **প্ৰমূল্যৰ উত্তৰণ আৰু মানৱ সমাজৰ ভৱিষ্যত** শীৰ্ষক সুৰেন্দ্ৰ নাথ কাকতি স্মাৰক বক্তৃতা প্ৰদান কৰে।

০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত আজি দ্বিতীয় বিশ্ব ধ্যান দিৱস পালন কৰা হয়। যোৱা বছৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২১ ডিচেম্বৰৰ দিনটো বিশ্ব ধ্যান দিৱস হিচাপে ঘোষণা কৰিছিল। অন্তৰ্দৃষ্টি আৰু আভ্যন্তৰীণ শান্তিৰ প্ৰতীক এই দিনটো উত্তৰ গোলাৰ্ধৰ শীতকালীন সময়ৰ সৈতে ৰজিতা খুৱাই বাঁচনি কৰা হৈছে।

বিশ্বৰ বিভিন্ন দেশৰ কূটনীতিবিদ, ৰাষ্ট্ৰসংঘৰ বিষয়া আৰু যোগ গুৰুসকলে কালি নিউয়ৰ্কত অৱস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত **বিশ্ব শান্তি আৰু সম্প্ৰীতিৰ বাবে ধ্যান** শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰে। ভাৰতৰ আধ্যাত্মিক গুৰু শ্ৰীশ্ৰীৰবিশংকৰে বিশ্বশান্তিৰ বাবে আয়োজিত এই অনুষ্ঠানৰ নেতৃত্ব দিয়ে।

উল্লেখযোগ্য যে, উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে হায়দৰাবাদৰ সমীপৰ কানহা শান্তি ভানমত অনুষ্ঠিত বিশ্ব ধ্যান দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০

উত্তৰ প্ৰদেশৰ এটা আৰক্ষী দলে কালি ধুবুৰীৰ ভাৰত-বাংলাদেশ সীমান্তৰ টাকিমাৰীত সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত অভিযুক্ত এজন যুৱকৰ সন্ধানত অভিযান চলাই আছে বুলি জিলাখনৰ আৰক্ষী অধীক্ষকে জানিবলৈ দিছে। ধুবুৰী আৰক্ষীৰ সহযোগত এই দলটোৱে ছাদিক আলী ওৰফে ছাদিক শ্বেখ

নামৰ লোকজনৰ বাসগৃহত অভিযান চলাই যদিও তেওঁৰ সন্ধান উলিওৱাত ব্যৰ্থ হয়। উল্লেখযোগ্য যে, লক্ষ্ণৌ আৰক্ষী থানাত ২০২২ চনত পঞ্জীয়ন হোৱা এটা গোচৰৰ সৈতে জড়িত থকাৰ অভিযোগত মুক্তাল মণ্ডলৰ পুত্ৰ ছাদিক আলীক যোৱা ৩ বছৰ ধৰি আৰক্ষীয়ে বিচাৰি আছে।

০০০০০

বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ প্ৰভাৱ যাতে ভাৰতত নপৰে তাৰ বাবে সীমান্ত অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। কাছাৰ জিলাৰ কাটিগড়াৰ নাটানপুৰ অঞ্চলৰ ভাৰত-বাংলাদেশ সীমান্তত বি এছ্ এফৰ ১৭০ নম্বৰ বেটেলিয়নৰ তত্বাৱধানত দিনে-নিশাই নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অঞ্চলটোত বি এছ্ এফৰ অতিৰিক্ত জোৱানো নিয়োগ কৰা হৈছে। তদুপৰি নাইট ভিজন কেমেৰা, চি চি টিভিকে ধৰি ২৪ ঘণ্টাই সতৰ্কতা অৱলম্বন কৰা হৈছে।

০০০০০

বাক্সা জিলাৰ খামাৰদৈছাত আজি মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই বিধায়ক পুঁজিৰ পৰা প্ৰদান কৰা ১৫ লাখ টকা অনুদানেৰে নিৰ্মাণ কৰা এটা শৰীৰ চৰ্চা কেন্দ্ৰ মুকলি কৰে। যুৱ স্পৰ্টছ্ ক্লাৱত নিৰ্মিত এই শৰীৰ চৰ্চা কেন্দ্ৰটোৱে গ্ৰামাঞ্চলৰ ৰাইজক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে নিজৰ ভাষণত কয়। উদ্বোধনী অনুষ্ঠানত ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত দক্ষিণ শালমৰা মানকাচৰ জিলাৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত জিলাখনৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাৰ সৈতে হোৱা সাক্ষাৎকাৰটি পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎগ্ৰহণ কৰিছে আমাৰ দক্ষিণ শালমৰা মানকাচৰ জিলাৰ সংবাদদাতা জেচমিনাৰা পাৰবিনে।

০০০০০

ডুবাইৰ আই চি চি একাডেমী গ্ৰাউণ্ডত অনুষ্ঠিত পুৰুষৰ ১৯ বছৰ অনুৰ্ধ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি পাকিস্তানে ভাৰতক ১৯১ ৰানৰ ব্যৱধানত পৰাজিত কৰে। টছত জিকি ভাৰতে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। পাকিস্তানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮টা উইকেট হেৰুৱাই ৩৪৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। প্ৰত্যুত্তৰত ভাৰতে ২৬ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়।

ইপিনে, ভাৰত আৰু শ্ৰীলংকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। শৃংখলাৰ প্ৰথম দুখন খেল বিশাখাপট্টনমত আৰু বাকী তিনিখন খেল তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত